**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-09-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধি দাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত অগণন ভক্তৰ সমাগম পৰিলক্ষিত হয়। গুৱাহাটী মহানগৰীৰ লতাশিল, গণেশগুৰি আৰু খানাপাৰাৰ গণেশ মন্দিৰত পুৱাতে সিদ্ধিদাতাৰ পূজা-অৰ্চনাৰ বাবে ভক্তৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়। গণেশ চতুৰ্থী উপলক্ষে গণেশ মন্দিৰসমূহত বিভিন্ন ধৰ্মীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। বাক্সা জিলাৰ ভাৰত-ভূটান সীমান্তৰ কামাৰদৈচা লক্ষীবজাৰত আজি গণেশ চতুৰ্থী উপলক্ষে পুৱাৰেপৰা ভগৱান গণেশৰ বন্দনাৰে চৌদিশ মুখৰিত হৈ পৰে। বিগত ৫৯ বছৰ ধৰি এই অঞ্চলত গণেশ চতুৰ্থী পালন কৰি অহা হৈছে। ধুবুৰী আৰু গোৱালপাৰা জিলাতো গণেশ চতুৰ্থী উপলক্ষে পূজা-অৰ্চনাৰ আয়োজন কৰা হৈছে। বৰাক উপত্যকাৰ কৰিমগঞ্জ জিলাত যথাবিহিত ৰীতি-নীতিৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। বদৰপুৰ এছ্ টি ৰোডত ৫ দিনীয়া কাৰ্যসূচীৰে আয়োজিত এই পূজাৰ সৈতে সংগতি ৰাখি শিশুসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। তদুপৰি সন্ধিয়াৰ ভাগত সকলোৰে বাবে বিশেষ প্ৰসাদৰ ব্যৱস্থা কৰা হৈছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে গণেশ চতুৰ্থী উপলক্ষে দেশৰাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও গণেশ চতুৰ্থী উপলক্ষে দেশবাসীক আন্তৰিক শুভেচ্ছা জনাইছে আৰু সকলোৰে সমৃদ্ধিৰ বাবে গণেশ দেৱতাক প্ৰাৰ্থনা জনাইছে।

ooooooo

ৰাজ্যত আইন-শৃংখলা পৰিস্থিতি উন্নত কৰাৰ দিশত আৰক্ষী আৰু জনসাধাৰণৰ মাজত পাৰস্পৰিক সহযোগিতাৰে থানা পৰ্যায়ৰ নাগৰিক সমিতিসমূহ গঠন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি প্ৰকাশ কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এই নাগৰিক সমিতিসমূহৰ সন্মিলনত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, ৰাজ্যৰ আৰক্ষী আৰু জনসাধাৰণৰ মাজত সহযোগিতাৰ সেতুবন্ধনৰ বাবে থানা পৰ্যায়ৰ নাগৰিক সমিতি গঠন কৰাটো চৰকাৰৰ এটা দীৰ্ঘদিনীয়া সপোন আছিল। ইয়াৰ জৰিয়তে জনসাধাৰণ আৰু আৰক্ষীৰ মাজৰ ব্যৱধান হ্ৰাস কৰি ৰাজ্যত আইন-শৃংখলা পৰিস্থিতি অধিক উন্নতি সাধন কৰাৰ লগতে ৰাজ্যত নিৰ্ধাৰিত সময়ৰ ভিতৰত সেৱা প্ৰদান কৰিব পৰা যাব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে নাগৰিক সমিতিয়ে অপৰাধৰ ভুক্তভোগী বিশেষকৈ শিশু আৰু মহিলাসকলক সহায় কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। তদুপৰি এজাহাৰ দাখিল কৰাকে ধৰি বিভিন্ন কাম-কাজৰ ক্ষেত্ৰত জনসাধাৰণক এই নাগৰিক সমিতিসমূহে সহায় কৰিব। বৰ্তমান ৰাজ্যখনত ৩৩৫ খন আৰক্ষী থানা আছে বুলি প্ৰকাশ কৰি তেওঁ কয় যে, ইয়াৰে ২৮ খন চি আই ডি, চাইবাৰ আৰু ৰে'ল আৰক্ষী থানা বাদ দি বাকী ৩০৭ খন আৰক্ষী থানাত নাগৰিক সমিতি গঠনৰ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছে।

oooooooo

প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় বাল পুৰস্কাৰ, ২০২৫ৰ বাবে মনোনয়ন দাখিল অন্তিম দিন ১৫ ছেপ্তেম্বৰ ধাৰ্য কৰা হৈছে। এই বঁটাৰ জৰিয়তে শিশুসকলৰ মাজত থকা শক্তি, দৃঢ়তা আৰু যোগ্যতাক উৎসাহ যোগোৱা হয়। ৫ বছৰ বয়সৰ উৰ্ধৰ আৰু ১৮ বছৰ বয়সৰ তলৰ শিশুক এই বঁটাৰ বাবে নিৰ্বাচন কৰা হয়। উল্লেখযোগ্য যে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে প্ৰতি বছৰে জানুৱাৰীত এই বঁটাসমূহ প্ৰদান কৰে। এই বছৰৰ বঁটা প্ৰাপকসকলৰ নাম ২৬ ডিচেম্বৰৰ বীৰ বাল দিৱসত ঘোষণা কৰা হ'ব।

oooooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত ডিমৰীয়া উন্নয়নত খণ্ডত বিভাগৰ বিভিন্ন আঁচনিসমূহৰ বিষয়ে পৰ্যালোচনা কৰে। পৰ্যালোচনাকালত মন্ত্ৰীগৰাকীয়ে এই আঁচনিসমূহ সঠিক সময়ত সমাপ্ত কৰাৰ বাবে বিভাগীয় বিষয়াসকলক নিৰ্দেশ প্ৰদান কৰে। সভাত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াকে ধৰি খণ্ড উন্নয়ন বিষয়াসকল উপস্থিত থাকে।

ooooooo

সাংসদ তথা পৌৰসভাৰ পদেন সদস্য ফণীভূষণ চৌধুৰীয়ে আজি ১৫ নম্বৰ ৱাৰ্ডত এটা পানী পৰিশোধন কেন্দ্ৰ মুকলি কৰে। এই উপলক্ষে অনুষ্ঠানত ভাষণ দি শ্ৰী চৌধুৰীয়ে কয় যে, বৰপেটা পৌৰসভাৰ ২২টা ৱাৰ্ডৰ ভিতৰত ১৯টাত এনে পৰিশোধন কেন্দ্ৰ স্থাপন কৰা হৈছে। বাকী ৩টা ৱাৰ্ডত পৰৱৰ্তী পৰ্যায়ত স্থাপন কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ooooooo

ওদালগুৰি জিলাত আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত আজি স্বাস্থ্য প্ৰতিষ্ঠা পঞ্জীয়ন অনুষ্ঠিত হয়। এই পঞ্জীয়নৰ জৰিয়তে স্বাস্থ্য সেৱাৰ সৈতে জড়িত চিকিৎসক, নাৰ্ছকে ধৰি চিকিৎসালয়, ক্লিনিক, পৰীক্ষাগাৰ আৰু ফাৰ্মাচী আদি ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সকলো প্ৰতিষ্ঠান আয়ুষ্মান ভাৰত ডিজিটেল মিছনৰ অধীনত পঞ্জীয়ন কৰা হয়।

oooooo

———ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পৰৱৰ্তী ৭ দিনত ধাৰাসাৰ বৰষুণ হ'ব পাৰে বুলি আগলি বতৰা দিছে। বিভাগটোৱে লগতে গুজৰাট, মহাৰাষ্ট্ৰ আৰু পূব ৰাজস্থানত অহা দুদিনত মুষলধাৰ বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে।

ooooooo

**সমাপ্ত**